Printed Pages—3

**3 (Sem–6) ASM L 1**

# 2015

## ELECTIVE ASSAMESE

Paper : 6.1

*Full Marks : 60*

*Time : 3 hours*

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়াঁ : ১×৭=৭

(ক) 'শ্ৰীকৃষ্ণৰ পূৰ্বৰাগ' গদ্যাংশখিনি ক'ৰ পৰা গ্ৰহণ কৰা হৈছে?

(খ) 'সাহিত্যত করুণ ৰস' প্ৰবন্ধটি কাৰ ৰচনা?

(গ) 'ৰামৰ বন-গমন' প্ৰবন্ধৰ লেখক কোন?

(ঘ) ত্ৰিপুৰা বুৰঞ্জীত উল্লেখ থকা অসমৰ কটকী দুজনৰ নাম কি?

(ঙ) হেমচন্দ্ৰ বৰুৱাৰ পিতৃৰ নাম কি আছিল?

(চ) ৰাইট্ ভ্ৰাতৃদ্বয়ে কিমান চনত বিমান উৰুৱাইছিল?

(ছ) ভৰত মুনিয়ে কিমান প্ৰকাৰ ৰসৰ কথা উল্লেখ কৰিছে?

২। চমু উত্তৰ দিয়াঁ : ২×৪=৮

(ক) ''ক্ষত্ৰিয় জাতি হুয়া নপুংসক বৃত্তি ধৰিলা''—কথাখিনি কোনে, কাক কৈছিল ?

(খ) কৃষ্ণৰতি মানে কি ?

(গ) লম্বাই শৰ্মা কোন আছিল ?

(ঘ) সঞ্চাৰী ভাৱ কিমান প্ৰকাৰৰ ?

৩। 'শ্ৰীকৃষ্ণৰ পূৰ্ব্বৰাগ' নামৰ গদ্যাংশখিনিৰ আধাৰত ৰুক্মিণীদেৱীৰ পত্ৰখনিৰ মূল কথাখিনি কি আছিল, উল্লেখ কৰাঁ। ৫

*অথবা*

শ্ৰীকৃষ্ণই অৰ্জুনক বিশ্বৰূপ দেখুওৱাৰ পিছত অৰ্জুনে কি বুলি সান্ত্বনা লভিছিল ? ইয়াৰ পাছত শ্ৰীকৃষ্ণই অৰ্জুনক কি জ্ঞান দিছিল ?

৪। ৰামচন্দ্ৰই বন-গমন কৰাৰ আগমুহূৰ্তত কৌশল্যাই কি কি কাম কৰিছিল আৰু ৰামচন্দ্ৰক কি বুলি আশীৰ্বাদ দিছিল ? ৫

*অথবা*

ত্ৰিপুৰাৰ ৰজাই মোট খেলিবলৈ ক'লৈ গৈছিল আৰু তেওঁৰ লগত কি কি বস্তু লৈ গৈছিল ?

৫। হেমচন্দ্ৰ বৰুৱাই তেখেতৰ আত্মজীৱনচৰিতত বিধৱা বিবাহৰ সপক্ষে কি কি যুক্তি দাঙি ধৰিছিল, আলোচনা কৰাঁ। ৫

*অথবা*

''বেটা লম্বাই! মই নহয় ৰামৰ ভাও মাৰিলোঁৱেই। তোৰ ওঁঠৰ ওপৰত গৰুৰ লেজৰ ওপৰত ওলোমাদি দুকোছা গোঁফ ওলমিছে। মুখখন গুটি সাঁচেৰে ভৰা। তই সীতা হৈ মোক প্ৰাণনাথ বুলিবলৈ গৈছ। মাৰ গুলী।'' কথাখিনিৰ প্ৰাসংগিকতা বিচাৰ কৰাঁ।



৬। ''ভগৱান শ্ৰীকৃষ্ণৰ প্ৰতি ভক্তৰ ৰতি পাঁচভাৱে প্ৰকাশ পায়। এই পাঁচ প্ৰকাৰ ৰতিৰ পৰিণতিয়েই পাঁচ প্ৰকাৰ ভক্তিৰসত পৰিণত হয়।'' 'অংকীয়া নাটৰ ৰস-বিচাৰ' নামৰ প্ৰবন্ধত উক্ত পাঁচ প্ৰকাৰ ভক্তিৰস সম্বন্ধে কি বুলি ব্যাখ্যা আগবঢ়োৱা হৈছে ? ১০

*অথবা*

পূৰ্ব্বৰাগ মানে কি ? 'শ্ৰীকৃষ্ণৰ পূৰ্ব্বৰাগ' নামৰ প্ৰবন্ধটিৰ মূল কথাখিনি তোমাৰ নিজৰ ভাষাত লিখি উলিওৱাঁ।

৭। সাহিত্যত কৰুণৰস কেনেদৰে ব্যক্ত হয় বুলি প্ৰবন্ধকাৰে ব্যাখ্যা দাঙি ধৰিছে, আলোচনা কৰাঁ। ১০

*অথবা*

আত্মজীৱনচৰিত কাক বোলে ? হেমচন্দ্ৰ বৰুৱাৰ 'আত্মজীৱন-চৰিত' নামৰ প্ৰবন্ধটিৰ পৰা তেখেতৰ বিষয়ে কি কি কথা জানিব পাৰি, আলোচনা কৰাঁ।

৮। 'ত্ৰিপুৰাত মদন পূজাৰ আড়ম্বৰ আৰু মোট খেলাৰ কৌতুক' নামৰ প্ৰবন্ধটিৰ পৰা ত্ৰিপুৰা ৰাজ্যৰ সমসাময়িক সমাজ-সংস্কৃতিৰ কিবা আভাস পাব পাৰি নেকি, আলোচনা কৰাঁ। ১০

*অথবা*

চমু টোকা লিখা (যি কোনো দুটা) : ৫×২=১০

অৰুণোদয় ; অংকীয়া নাট ; ত্ৰিপুৰা বুৰঞ্জী ; ড০ বাণীকান্ত কাকতি।

☆ ☆ ☆